**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে আজি শপতগ্ৰহণ কৰে। আজি দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, উচ্চপদস্থ চৰকাৰী বিষয়া আৰু ভালেকেইগৰাকী জ্যেষ্ঠ অধিবক্তা উপস্থিত আছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে পৰহি শ্বামিমা জাহানসহ ৭ গৰাকী জ্যেষ্ঠ অধিবক্তাক দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তি দিছিল।

০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে কাইলৈৰ পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছইল হেল্থ কাৰ্ডৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব। কালি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ভাৰতীয় কিষাণ সংঘ অসমৰ বিষয়ববীয়াসকলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে ভাৰতীয় কিষাণ সংঘক এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ উপৰি চৰকাৰী বিভাগসমূহক এই অভিযানত কিষাণ সংঘক জড়িত কৰিবলৈ আহ্বান জনাইছে।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত কাইলৈ এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০০০

বশিষ্ঠ আৰু যোৰাবাট আৰক্ষীয়ে কালি নিশা যোৰাবাটত যুটীয়াভাৱে চলোৱা ড্ৰাগছবিৰোধী অভিযানত ড্ৰাগছসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীজন গৰৈমাৰীৰ আলাম হক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা দুটা ড্ৰাগছভৰ্তি টেমা জব্দ কৰে। এই টেমা দুটাত প্ৰায় ১৬ দশমিক ৫ - ৪ গ্ৰাম হেৰ'ইন আছিল। ইয়াৰ লগতে ধৃত জামাল হকৰ পৰা আৰক্ষীয়ে ড্ৰাগছৰ ১৭ টা খালী কণ্টেইনাৰ আৰু দুটা ম'বাইল ফোনো উদ্ধাৰ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

০০০০০০০০০

কাছাৰৰ পশ্চিম কাটিগড়ৰ জালালপুৰত যোৱা নিশা আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত ৩০ গৰাকী বাংলাদেশীক আটক কৰিবলৈ সমৰ্থ হয়। বাংলাদেশীকেইজনে পশ্চিম কাটিগড়াৰ জালালপুৰ সীমান্তৰে বাংলাদেশত প্ৰৱেশ কৰিবলৈ অটো ৰিক্সাৰে গৈ থকাৰ সময়তে স্থানীয় ৰাইজে এই লোককেইজনক কৰায়ত্ত কৰি আৰক্ষীৰ হাতত চমজাই দিয়ে।

উল্লেখযোগ্য যে এই লোককেইজনে বহু দিন পূৰ্বে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছিল। অবৈধ বাংলাদেশীকেইজনে ভাৰতৰ বিভিন্ন ৰাজ্যত কাম কৰি আছিল বুলি জানিব পৰা গৈছে। বৰ্তমান লোককেইজন আৰক্ষীৰ জিম্মাত আছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে পঞ্জাবৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থকা গুজৰাট টাইটানছ অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে এলিমিনেটৰ খেলাত অৱতীৰ্ণ হ'ব।

যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত বেংগালুৰুৱে এই বছৰৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষৰ দুটা দলৰ ভিতৰত স্থান লাভ কৰিছে। তালিকাত পঞ্জাব শীৰ্ষ স্থানত আছে।

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ২২৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰপ্ৰাপ্ত অধিনায়ক জিতেশ শৰ্মাৰ ৮৫ আৰু বিৰাট কোহলিৰ ৫৪ ৰাণৰ সহায়ত ১৮ অ'ভাৰ ৪টা বলতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৩০ ৰাণ কৰে। জিতেশ শৰ্মাক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০০

**সমাপ্ত**